ধৰণে প্ৰভাৱ বিস্তাৰ কৰে; ফলস্বৰূপে সংস্কৃতিৰো পৰিৱৰ্তন সাধন হয়। সাম্প্ৰতিক সময়ৰ বিজ্ঞানৰ অৱদান— ৰেডিঅ', দূৰদৰ্শন, ম'বাইল, ইণ্টাৰনেট আদিয়েও অসমীয়া সমাজ জীৱনৰ লগতে সংস্কৃতিক প্ৰভাৱিত কৰিছে। বিংশ শতিকাত আৰম্ভ হোৱা ৰেডিঅ', টেলিভিছন বা দূৰদৰ্শন, ম'বাইল, ইণ্টাৰনেট আদিয়ে সাম্প্ৰতিক সময়ৰ অসমীয়া সংস্কৃতিক কেনেধৰণে প্ৰভাৱিত কৰিছে সেই বিষয়েই এই অধ্যায়টোত বহলাই আলোচনা দাঙি ধৰা হ'ব। সেই বিষয়ে কৰা আলোচনাৰ প্ৰসংগত ৰেডিঅ' আৰু দূৰদৰ্শনৰ ইতিহাস সম্পৰ্কেও কিছু কথা আলোচনা কৰা হৈছে। অধ্যায়টো অধ্যয়ন কৰি আপুনি সম্প্ৰতিক সময়ৰ অসমীয়া সংস্কৃতিৰ এই দিশ কেইটাৰ সম্পৰ্কে এটি চমু ধাৰণা লাভ কৰিব বুলি আশা কৰা হৈছে।

৯.৩ সাম্প্ৰতিক অসমীয়া সংস্কৃতি

সংস্কৃতি হ'ল সমাজৰ পৰিচয় স্বৰূপ। সংস্কৃতিবিহীন সমাজ এখন কল্পনা কৰা কঠিন কাৰণ সমাজেই সংস্কৃতিৰ আধাৰ। সেয়েহে সমাজ আৰু সংস্কৃতি পৰিপূৰক হিচাপেহে আলোচনাত প্ৰবৃত্ত হ'বলগীয়া হয়। সমাজৰ লগতে সংস্কৃতিও পৰিৱৰ্তনশীল। মানুহৰ জীৱন ধাৰণৰ পৰিৱৰ্তনৰ লগে লগে সময়ৰ লগত খাপখোৱাকৈ সংস্কৃতিৰো বিভিন্ন ধৰণৰ পৰিৱৰ্তন সাধন হয়। ভূৱন মোহন দাসৰ ভাষাৰে ক'ব পৰি — "সমাজ-সংস্কৃতিৰ উপাদানসমূহ লেখি শেষ কৰিব নোৱাৰি। এধাৰি মালাত গাথি থোৱা বিভিন্ন ধৰণৰ মণিৰ নিচিনা সাংস্কৃতিক উপাদানবোৰে ইটো সিটোৰ লগত নানা প্ৰকাৰে ওতপ্ৰোতভাৱে সাঙোৰ খাই থাকে। মণি এটা স্থানচ্যুত হ'লে মালাডালৰ ৰূপৰ পৰিৱৰ্তন হোৱাৰ দৰে সমাজ-সংস্কৃতিৰ এটা উপাদানৰ পৰিৱৰ্তনৰ দ্বাৰা আন বহুতো উপাদান প্ৰভাৱান্বিত হয়। প্ৰধানতঃ দুটা দৃষ্টিকোণৰ পৰা উপাদানসমূহ বিশ্লেষণ কৰা হয়। এটা হ'ল ঐতিহ্য বা পৰম্পৰা আৰু আনটো প্ৰয়োজনীয়তা বা ব্যৱহাৰিক দিশ। এই দুটাৰ যিকোনো এটাৰ অবিহনে কোনো উপাদান বেছি দিন স্থায়ী হ'ব নোৱাৰে।" সেই হিচাপে পৰিৱৰ্তিত সময়ত মানুহৰ বিনোদনৰ বাবে সৃষ্টি হোৱা ৰেডিঅ', দূৰদৰ্শন তথা জ্ঞান-আহৰণ তথা যোগাযোগৰ বাবে আৰম্ভ হোৱা ম'বাইল, ইণ্টাৰনেট আদিও সংস্কৃতিৰ অংগীভূত আৰু এই উপাদান কেইটাই অসমীয়া সংস্কৃতিত গভীৰ প্ৰভাৱ বিস্তাৰ কৰিছে।

সংস্কৃতিৰ সংজ্ঞাসমূহ গভীৰভাৱে বিশ্লেষণ কৰিলে আমি সংস্কৃতিৰ মাজত মূলতঃ তিনিটা প্ৰধান বৈশিষ্ট্য ৰক্ষিত হোৱা দেখিবলৈ পাওঁ। এই বৈশিষ্ট্য কেইটা হ'ল — (ক) সংস্কৃতি বিশ্বজনীন, তথাপিতো ইয়াৰ স্থানীয় আৰু আঞ্চলিক ৰূপ লক্ষ্য কৰা যায়, (খ) সংস্কৃতিত স্থবিৰতা আৰু গতিশীলতা উভয় বৈশিষ্ট্য দৃষ্টিগোচৰ হয়, (গ) সংস্কৃতিয়ে আমাৰ জীৱনৰ গতি নিৰ্ধাৰণ আৰু ইয়াৰ পৰিপুষ্টিত সমল যোগালেও ই কেতিয়াবাহে আমাৰ সচেতন ভাব-চিন্তাত প্ৰৱেশ লাভ কৰিব পাৰে। এই বৈশিষ্ট্য কেইটাক আধাৰ হিচাপে লৈয়েই আমি আধুনিক অসমীয়া সংস্কৃতি বা আধুনিক যুগৰ সংস্কৃতিৰ আলোচনাত প্ৰবৃত্ত হ'ব পাৰোঁ।

সংস্কৃতিৰ বিশ্বজনীন বৈশিষ্ট্যই মানৱৰ আচাৰ-ব্যৱহাৰ অনুসৰি স্থানীয় বা আঞ্চলিক

পৰা যায়। এনেদৰে "ৰেডিঅ' টেলিফোন সংযোগ" (Radio Telegraphy) ব্যৱস্থাৰ সূত্রপাত হ'ল। 1914 চনৰ পৰা প্রথম বিশ্বযুদ্ধৰ কালছোৱাত 'ৰেডিঅ' টেলিফোন' বহুলভাৱে ব্যৱহৃত হৈছিল। এই যুদ্ধখনৰ পিছৰ পৰাই সম্প্রচাৰৰ বাবে অনাতাঁৰ ব্যৱস্থাই জনপ্রিয়তা অর্জন কৰিলে। ৰেডিঅ'ৰ জৰিয়তে অনুষ্ঠান সম্প্রচাৰৰ সম্ভাৱনীয়তাটো এটা দুর্ঘটনাবশতঃ আৱিষ্কৃত হোৱা ঘটনা। 1916 চনত আমেৰিকাৰ পিটছ্বার্গৰ এটা যন্ত্র (ৰেডিঅ') নির্মাণকাৰী কোম্পানীৰ অভিযন্তাসকলে পৰীক্ষামূলক কণ্ঠস্বৰ প্রচাৰৰ চেষ্টা চলাই আছিল। এদিন তেওঁলোকে কথোপকথন আৰু গ্রামোফোন ৰেকৰ্ডৰ সংগীত সলনা-সলনিকৈ প্রচাৰ কৰি চোৱাৰ সিদ্ধান্ত ল'লে। অপ্রত্যাশিতভাৱে তেওঁলোকে তেওঁলোকৰ পৰীক্ষামূলক কার্য শুনি ভাল পোৱা বহুতো শ্রোতাৰ সঁহাৰি লাভ কৰিলে। এই শ্রোতাসকল আছিল ঘৰুৱাভাৱে নির্মিত যতন ব্যৱহাৰ কৰা এমেছাৰ ৰেডিঅ' শ্রোতা। এইসকল শ্রোতাই সংগীতানুষ্ঠান শুনি ইমান ভাল পালে যে তেনে অনুষ্ঠান আকৌ শুনাবলৈ তেওঁলোকে অনুৰোধ পত্র প্রেৰণ কৰিবলৈ ধৰিলে। কিছুদিনৰ পাছতেই নিয়মীয়া অনুষ্ঠান সম্প্রচাৰ আৰম্ভ হ'ল। ষ্টেশ্যনটোক পাছলৈ KDKA নামেৰে অনুজ্ঞাপত্র প্রদান কৰা হ'ল। এইটোৱেই হ'ল পৃথিৱীৰ প্রথমটো তথা বহু বছৰলৈ পৃথিৱীৰ একমাত্র ৰেডিঅ' অনুষ্ঠান সম্প্রচাৰকাৰী ষ্টেশ্যন। এই ষ্টেশ্যনটো এতিয়াও সক্রিয় হৈ আছে।

1923 চনৰ জুন মাহত মুম্বাইৰ ৰেডিঅ' ক্লাবে ভাৰতৰ প্রথমটো ৰেডিঅ' অনুষ্ঠান প্রচাৰ কৰিছিল। ইয়াৰ পাছতেই এটা 'সম্প্রচাৰ সেৱা' প্রণালী তৈয়াৰ কৰা হৈছিল। 1927 চনৰ জুলাই মাহত এই সেৱাৰ জৰিয়তে মুম্বাই আৰু ক'লকাতাৰ পৰা একে সময়তে পৰীক্ষামূলকভাৱে ৰেডিঅ' অনুষ্ঠান প্রচাৰ কৰা হৈছিল। এই মর্মে ভাৰত চৰকাৰ আৰু 'ইণ্ডিয়ান ব্রডকাষ্টিং কোম্পানী লিমিটেড' নামৰ ব্যক্তিগত কোম্পানীটো চুক্তিবদ্ধ হৈছিল। 1930 চনত ভাৰত চৰকাৰে কোম্পানীটোক ৰাষ্ট্রীয়কৃত কোম্পানীলৈ ৰূপান্তৰিত কৰিছিল। তাৰ পাছৰ পৰা কোম্পানীটোৱে 'ইণ্ডিয়ান ষ্টেট ব্রডকাষ্টিং ছার্ভিছেজ (Indian State Broadcasting Service - ISBS)' নামেৰে প্রচাৰ সেৱা চলাই গৈছিল। এই পৰীক্ষামূলক সম্প্রচাৰৰ সফলতাই চৰকাৰক উৎসাহিত কৰিলে। 1935 চনত সম্প্রচাৰ সেৱাক স্থায়ী ৰূপ প্রদান কৰা হ'ল। ইয়াৰ বাবে এটা পৃথক বিভাগ গঠন কৰা হৈছিল। 1936 চনৰ জুন মাহত ISBS-ক 'অল ইণ্ডিয়া ৰেডিঅ' (AIR) বুলি নতুনকৈ নামকৰণ কৰা হয়। 1957 চনৰ পৰা AIR- ক 'আকাশবাণী' নাম দিয়া হয়। অৱশ্যে ইংৰাজী ভাষাৰ অনুষ্ঠানত ইয়াক এতিয়াও 'অল ইণ্ডিয়া ৰেডিঅ' বুলিয়েই কোৱা হয়।

1939 চনত অল ইণ্ডিয়া ৰেডিঅ' কলিকতাৰ পৰা সর্বপ্রথম অসমীয়া অনুষ্ঠানটো প্রচাৰ কৰা হৈছিল। সেই সময়ত অনুষ্ঠান বাণীবদ্ধ কৰাৰ সুবিধা নাছিল। সেয়েহে অনুষ্ঠানবোৰ পোনপটীয়াভাৱে প্রচাৰ কৰা হৈছিল। প্রথম অসমীয়া অনুষ্ঠানটো 10 মিনিটৰ আছিল। যুদ্ধকালীন উদ্দেশ্য প্রণোদিত (War propaganda) অনুষ্ঠানটো শ্বর্ট ৰেঞ্জ (SW) বেণ্ডত প্রচাৰ কৰা হৈছিল। পাছলৈ অনুষ্ঠানটোৰ সময় 15 মিনিট কৰি

মন কৰিবলগীয়া যে ব্যক্তিগত এফ. এম. চেনেলৰ অনুষ্ঠান উপস্থাপন প্রকৃতি তথা শৈলী AIR-ৰ দৰে প্রতিস্থিত আৰু পৰম্পৰাগত উপস্থাপন শৈলীৰ দৰে নহয়। ব্যক্তিগত এফ. এম. চেনেলবোৰৰ উমৈহতীয়া বৈশিষ্ট্য হ'ল সংগীতৰ যোগেদি শ্রোতাক সম্পূর্ণ মনোৰঞ্জন প্রদান কৰাৰ চেষ্টা আৰু ডিস্ক-জ'কী (DJ) শৈলীৰ উপস্থাপন। তাৰ ফলতেই সৃষ্টি হৈছে ৰেডিঅ' জ'কীৰ (RJ) ধাৰণা। ইতিমধ্যে আমি উল্লেখ কৰি আহিছোঁ যে, একবিংশ শতিকাৰ আদি দশকটোত কানত হেড ফোন বা ইয়েৰ ফোন লগাই ঘূৰি ফুৰা ডেকা-গাভৰুৰ সংখ্যা বৃদ্ধি পাইছিল। অৱশ্যে এতিয়া এয়া কিছু পৰিমাণে কমি অহা দেখা গৈছে। মন কৰিবলগীয়া যে এই এফ. এম. চেনেলবোৰত আৰ. জে.সকলে একধৰণৰ খিচিৰিসদৃহ অসমীয়া ভাষা প্রয়োগ কৰি অসমীয়া ভাষাটোৰ প্রকৃত কালিকা প্রায় নাইকিয়া কৰি পেলাইছে। এই খিচিৰিসদৃহ অসমীয়া ভাষা ৰূপটোৱে অসমীয়া ভাষাৰ সাধু-ৰূপটোৰ প্রতি প্রত্যাহ্বানৰ সৃষ্টি কৰাৰ লগতে নতুন প্রজন্মক অধিক প্রভাৱিত কৰিছে। এই বিষয়ে কিছু কথা পৰৱর্তী অধ্যায়টোত আমি বহলাই আলোচনা কৰিছোঁ। কিন্তু এটা কথা ঠিক যে এই ষ্টেচনসমূহৰ সৃষ্টিৰ ফলত বহু নতুন গায়ক-গায়িকাই সুবিধা লাভ কৰাৰ লগতে তেওঁলোকৰ সৃষ্টিশীল প্রতিভাৰ বিকাশ কৰিবলৈ সুবিধা লাভ কৰিছিল। অসমীয়া ৰাইজেও যিকোনো মুহূর্ততে গান শুনি বিনোদন লাভ কৰিবলৈ সক্ষম হৈছিল। ফলস্বৰূপে আজি কালি প্রতিখন গাড়ীতে ৰেডিঅ' শুনিব পৰা মেচিন সন্নিৱিষ্ট হ'বলৈ ধৰিলে আৰু অসমৰ টেপৰ কেচেটৰ বজাৰখন একেবাৰেই নাইকিয়া হৈ পৰিল।

সম্প্রতিক সময়ত ৰেডিঅ'ৰ এটি নতুন ধাৰণাৰো সৃষ্টি হৈছে — সমূহীয়া ৰেডিঅ' (Community Radio)। ই হ'ল এনে এবিধ ৰেডিঅ' সেৱা যিটোৰ জৰিয়তে এটা সীমিত এলেকাৰ শ্রোতাৰ চাহিদা আৰু ৰুচি পূৰণৰ প্রয়াস কৰা হয়। ইয়াৰ জৰিয়তে কোনো এক নির্দিষ্ট এলেকাৰ শ্রোতাৰ মাজত জনপ্রিয় বিষয়বস্তু প্রচাৰ কৰা হয়। বৃহৎ, ক্ষমতাশালী ৰেডিঅ' সেৱা সম্প্রচাৰকসকলক এই সেৱাৰ প্রতি সিমান মনোযোগ দিয়া দেখা নাযায়। সমূহীয়া ৰেডিঅ' নীতিৰ অধীনত অনুষ্ঠান সম্প্রচাৰৰ অনুজ্ঞা লাভ কৰা ভাৰতৰ প্রথমটো শৈক্ষিক প্রতিষ্ঠান পৰিসৰৰ অন্ত র্ভুক্ত (Campus Radio) ৰেডিঅ' ষ্টেশ্যন হ'ল "আন্না এফ. এম." আৰু ইয়াৰ পৰা সম্প্রচাৰ আৰম্ভ হয় 2004 চনৰ 1 ফ্রেব্রুৱাৰী পৰা। আমাৰ বিশ্ববিদ্যালয়ৰো এটি সমূহীয়া ষ্টেচন আছে— জ্ঞান-তৰংগ (90.4 মেগাহার্টজ)। 2009 চনৰ জানুৱাৰী মাহৰ 28 আৰু 29 তাৰিখে দুদিনৰ বাবে পৰীক্ষামূলকভাৱে এই ষ্টেচনৰ পৰা অনুষ্ঠান প্রচাৰ কৰা হৈছিল আৰু 2010 চনৰ 20 নৱেম্বৰৰ পৰা নিয়মীয়াভাৱে এই কেন্দ্রটিৰ পৰা অনুষ্ঠান সম্প্রচাৰ আৰম্ভ হয়। পৰৱর্তী সময়ত অসমত আৰু কেইবাটাও সমূহীয়া ৰেডিঅ' ষ্টেচন আৰম্ভ হয়। প্রসংগক্রমে উল্লেখ কৰি যাওঁ যে অল ইণ্ডিয়া ৰেডিঅ'ৰো কেইটামান সমূহীয়া ৰেডিঅ' কেন্দ্র আছে। জনজাতীয় বাসিন্দাসকলৰ সুবিধার্থে উত্তৰ-পূর্বাঞ্চলৰ পাঁচখন ঠাইত (নাগালেণ্ড,

প্রশ্ন নং ২ ঃ কেতিয়াৰ পৰা 'অল ইণ্ডিয়া ৰেডিঅ' গুৱাহাটী কেন্দ্ৰৰ কাম-কাজ আৰম্ভ কৰে?

.....

৯.৩.২ দূৰদৰ্শন

ইংৰাজী টেলিভিছন শব্দটোৰ অসমীয়া প্ৰতিশব্দ হিচাপে দূৰদৰ্শন শব্দটো ব্যৱহাৰ কৰা হয়। দূৰদৰ্শন শব্দটোৱেই আমাক ধাৰণা প্ৰদান কৰে যে ইয়াত দূৰৰ যি কোনো কাৰ্য-ঘটনা ইত্যাদি আমি ঘৰতে দৰ্শন কৰিব পাৰোঁ। দূৰদৰ্শন হ'ল এটা আড়ম্বৰ-পূৰ্ণ আৰু অতি শক্তিশালী প্ৰচাৰ মাধ্যম; এটা দৃশ্য-শ্ৰব্য মাধ্যম। ই একে সময়তে দৃশ্যমান আৰু শ্ৰৱণসাধ্য ধাৰণাৰ সৃষ্টি কৰিব পাৰে। অৰ্থাৎ দৰ্শকে কেৱল বক্তাৰ কথাই নুশুনে, কি ঘটি আছে সেয়াও দেখা পায়। ধ্বনি, ৰং আৰু গতিশীলতা — এই তিনিটা উপাদানে দূৰদৰ্শনক অন্য প্ৰচাৰ মাধ্যমতকৈ অধিক বিশ্বাসযোগ্যতা প্ৰদান কৰিছে। অৱশ্যে মন কৰিবলগীয়া যে বাতৰি কাকত অথবা ৰেডিঅ'ৰ তুলনাত দূৰদৰ্শন এটা খৰছী মাধ্যম। দূৰদৰ্শনৰ পৰ্দাত দৰ্শকক ঘটনা এটা বাস্তৱ মূহুৰ্তত ঘটি থকাৰ দৃশ্যও দেখুৱাব পৰা যায়। মন কৰিব যে দূৰদৰ্শনক এটা 'লীন বেক' (Lean back) মাধ্যম বোলা হয়। কাৰণ ইয়াত আমি বাতৰি-কাকত অথবা ইণ্টাৰনেটৰ দৰে চকু ফুৰাব নোৱাৰো। দূৰদৰ্শনৰ অনুষ্ঠান আমি গভীৰ মনোযোগ দি চাব লাগে। তথ্য প্ৰচাৰ কৰিবলৈ দূৰদৰ্শন এবিধ উপযুক্ত আহিলা; কেৱল সংবাদ আৰু সাময়িক প্ৰসংগৰ অনুষ্ঠানৰ যোগেদিয়েই নহয়, অন্য বহুতো অনুষ্ঠানৰ সহায়ত আমি বিভিন্ন কথা, ব্যক্তি আৰু স্থানৰ বিষয়ে জানিব পাৰো। এনেবোৰ বিষয় টেলিভিছনে স্পৰ্শ নকৰা হ'লে হয়তো আমি কোনো দিনেই নাজানিলোহেঁতেন। সেই দিশৰ পৰা অসমীয়া সংস্কৃতিত দূৰদৰ্শনৰ প্ৰভাৱ অতি গভীৰ।

দূৰদৰ্শনৰ সম্প্ৰচাৰ সম্পৰ্কীয় বিভিন্ন পৰীক্ষা-নিৰীক্ষা কুৰি শতিকাৰ দ্বিতীয় দশকৰ শেষৰফালে মাৰ্কিন যুক্তৰাষ্ট্ৰ আৰু ইউৰোপত কৰা হৈছিল। সেই সময়ত এই পৰীক্ষা-নিৰীক্ষাসমূহৰ কাৰণে এক প্ৰকাৰৰ যান্ত্ৰিক স্কেনিং ডিস্ক ব্যৱহাৰ কৰা হৈছিল। কিন্তু ইয়াৰ জৰিয়তে সকলো ছবি সঘনাই স্কেন কৰিব পৰা নগৈছিল। 1923 চনত আইক'ন'স্ক'প নামৰ ইলেকট্ৰিক টেলিভিছন টিউব আৱিষ্কাৰ কৰা হয়। এই আইক'ন'স্ক'প বা পিক্সাৰ টিউবৰ সহায়ত ইলেকট্ৰনিক কেমেৰা আৰু টেলিভিছনৰ ঘৰুৱা ছেটসমূহত ছবি অহা সম্ভৱ হয়। 1930 ৰ দশকত মাৰ্কিন যুক্তৰাষ্ট্ৰৰ নেচ'নেল ব্ৰডকাষ্টিং কৰ্প'ৰেচনে নিউয়ৰ্কত এটি টেলিভিছন ষ্টেচন স্থাপন কৰে আৰু লণ্ডনত ব্ৰিটিছ ব্ৰডকাষ্টিং কৰ্প'ৰেচনে আন এটি টেলিভিছন ষ্টেচন স্থাপন কৰে। এইদৰে দৈনন্দিন টেলিভিছন অনুষ্ঠান সম্প্ৰচাৰ আৰম্ভ হয়। জাৰ্মানী আৰু ফ্ৰান্সটো ঠিক একে সময়তে টেলিভিছন ষ্টেচন স্থাপন কৰা হয়।

দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত পৃথিৱীত টেলিভিছনে বিশেষ বিকাশ লাভ কৰে। নাজীসকলৰ জাৰ্মানীত টেলিভিছনক ৰাজনৈতিক একপক্ষীয় প্ৰচাৰৰ মাধ্যম হিচাপে

প্রথমতে ভাৰতৰ গ্ৰাম্যঞ্চলৰ বিকাশৰ বাবে শৈক্ষিক অনুষ্ঠান প্ৰচাৰ কৰিবলৈ আমেৰিকাৰ কৃত্ৰিম উপগ্ৰহ ATS-6 ৰ সহায় লোৱা হৈছিল। পৰৱৰ্তী সময়ত ভাৰতীয় প্ৰযুক্তিবিদসকলে নিজাববীয়াকৈ কৃত্ৰিম উপগ্ৰহ স্থাপন কৰি এই সেৱাৰ ক্ষেত্ৰত অৱদান আগবঢ়ালে।

ভাৰতত 1965 চনৰ পৰা 'দূৰদৰ্শন' নামেৰে টেলিভিছন সেৱাৰ নিয়মীয়া সম্প্ৰচাৰ সেৱা আৰম্ভ হয়। তেতিয়া অৱশ্যে ই আকাশবাণীৰেই এটা অংশ হৈ আছিল। 1972 চনত মুম্বাই (তেতিয়াৰ বোম্বে) আৰু অমৃতসৰলৈ টেলিভিছন সেৱা সম্প্ৰসাৰিত কৰা হৈছিল। সুদীৰ্ঘ কাল ধৰি দূৰদৰ্শন দেশৰ সাতখন চহৰত টেলিভিছন সেৱা আগবঢ়োৱা একমাত্ৰ চেনেল আছিল। 1976 চনত টেলিভিছন সেৱাক ৰেডিঅ' সেৱাৰ পৰা পৃথক কৰা হয়। আকাশবাণী আৰু দূৰদৰ্শনৰ কাৰ্যালয় দুটা নতুন দিল্লীত ভিন্ ভিন্ মহানিৰ্দেশকৰ অধীনত পৃথক পৃথককৈ স্থাপন কৰা হয়। এনেদৰেই অৱশেষত 'দূৰদৰ্শনে' ৰাষ্ট্ৰীয় সম্প্ৰচাৰক হিচাপে আত্মপ্ৰকাশ কৰে।

1982 চনটো দুটা ঘটনাৰ বাবে ভাৰতীয় টেলিভিছন ইতিহাসত খোদিত হৈ ৰ'ল। এটা হ'ল ৰাষ্ট্ৰীয় অনুষ্ঠানৰ সূচনা আৰু আনটো হ'ল ৰঙীন সম্প্ৰচাৰ সেৱাৰ আৰম্ভণি। ইয়াৰ লগে লগে ভাৰতীয় বজাৰত ৰঙীন টেলিভিছন ছেটৰ চাহিদা বৃদ্ধি পালে। ভাৰতীয় দৰ্শকে 1982 চনৰ 15 আগষ্টত পোন প্ৰথমবাৰৰ বাবে তেতিয়াৰ প্ৰধানমন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীয়ে দেশবাসীক সম্বোধন কৰি দিয়া ভাষণৰ পোনপটীয়া প্ৰচাৰ আৰু দিল্লীত অনুষ্ঠিত 1982 চনৰ এছিয়ান গে'মছৰ পোনপটীয়া বিস্তৃত প্ৰচাৰ শুনা আৰু চোৱাৰ সুযোগ পালে। 1980 দশকটো দূৰদৰ্শন ধাৰাবাহিকৰ (soaps) উল্লেখনীয় যুগ বুলিব পাৰি।

1991 চনত আন্তঃৰাষ্ট্ৰীয় ছেটেলাইট টেলিভিছন সেৱাই ভাৰতত পদাৰ্পণ কৰে। বাতৰি প্ৰতিষ্ঠান CNN-এ পোন প্ৰথমবাৰৰ বাবে ভাৰতীয় দৰ্শকক উপসাগৰীয় যুদ্ধৰ (Gulf War) বাতৰি চোৱাৰ সুযোগ দিয়ে। 1992 চনৰ প্ৰথমভাগত দেশৰ প্ৰায় পাঁচ লাখ ঘৰত STAR TV-ৰ সেৱা সুলভ হৈ পৰিছিল। এবছৰৰ পাছত এই সংখ্যা বাঢ়ি প্ৰায় বিশ লাখ হৈছিলগৈ। 1994 চনৰ শেষৰফালে আনুমানিক এক কোটি বিশ লাখ ঘৰত (দেশৰ মুঠ টেলিভিছন থকা জনসংখ্যাৰ এক চতুৰ্থাংশতকৈ অলপ কম) ছেটেলাইট টেলিভিছন সেৱাই প্ৰৱেশ কৰিছিল। এই দৰ্শকৰ সংখ্যা বৃদ্ধিত অৰিহণা আগবঢ়াইছিল সমগ্ৰ দেশতে কাঠফুলাৰ দৰে ছানি ধৰা প্ৰায় 60 হেজাৰ কেবল আপাৰেট'ৰে। 2000 চনৰ এক সমীক্ষা মতে ভাৰতৰ মুঠ জনসংখ্যাৰ প্ৰায় পঞ্চাশ শতাংশই নিয়মীয়াকৈ টিভি অনুষ্ঠান উপভোগ কৰে। শেষত ক'ব পৰা যায় যে এটাকৈ ট্ৰেন্সমিটাৰ আন্তঃগাঠনি তৈয়াৰ কৰাৰ বাবে বিনিয়োগ কৰাৰ ফলতেই ভাৰতত টেলিভিছনৰ বিকাশ সম্ভৱ হৈছে। আন্তঃগাঠনিৰ অংশ হিচাপে স্থলভিত্তিক প্ৰায় 1000 টা ট্ৰেন্সমিটাৰ দেশৰ বিভিন্ন স্থানত বহুৱা হৈছে। সেইবাবে চৌপাশৰ অঞ্চলবোৰলৈ ছেটেলাইট সংকেত প্ৰেৰণ হৈছে। লগতে

হোৱা বিভিন্ন ধাৰাবাহিক, চুটি চিনেমা, গানৰ ভিডিঅ', বিজ্ঞাপন আদিয়ে ভিন ভিন মাত্ৰাত বিভিন্ন লোকৰ সংস্থাপনৰ বাট মুকলি কৰিলে। অভিনয়ক কেন্দ্ৰ কৰি এখন বিশাল বজাৰৰ সৃষ্টি হ'ল অসমত। এইবোৰেও সাম্প্ৰতিক সময়ৰ অসমীয়া সংস্কৃতিক বহুলভাৱে প্ৰভাৱিত কৰিছে। টেলিভিছনৰ যোগেদিও থলুৱা-ভাষা-সাহিত্য, সংস্কৃতিক বিভিন্ন আলোচনা প্ৰচাৰ কৰি সংস্কৃতিৰ সংৰক্ষণত মনোনিৱেশ কৰিব পাৰি। অৱশ্যে বহু সময়ত টি. আৰ. পি.ৰ বাবে চেনেলসমূহে প্ৰচাৰ কৰা অনুষ্ঠানে পৰম্পৰাগত থলুৱা-সংস্কৃতিলৈ প্ৰত্যাহ্বান হে সৃষ্টি কৰিছে। ঠিক সেইদৰে এই চেনেলসমূহতো খিচিৰি সদৃশ ভাষাৰ ব্যৱহাৰে কেনেদৰে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিলৈ প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে সেয়াও আমি পৰৱৰ্তী অধ্যায়ত আলোচনা কৰিছোঁ। আজিকালি এই চেনেলসমূহৰ বহুল প্ৰচাৰৰ বাবে 'দূৰদৰ্শন'ৰ দৰ্শকৰ সংখ্যা কমি গৈছে। দৈনিক প্ৰচাৰ কৰা বাতৰিৰ জৰিয়তে আজিকালি অসমৰ যিকোনো এখন গাঁওৰ ব্যক্তিয়েও দেশৰ খৱৰ জানে। কিন্তু বহু সময়ত পক্ষপাতদুষ্টতাৰ বাবেও প্ৰকৃত বাতৰি জনগণলৈ সম্প্ৰচাৰ নহয়। তথাপিতো আমি এই বুলিয়েই ক'ব পাৰোঁ যে টেলিভিছনে অসমীয়া সাম্প্ৰতিক সমাজ-সংস্কৃতিক গভীৰভাৱে প্ৰভাৱিত কৰিছে আৰু ক'ব নোৱাৰাকৈয়ে অসমীয়া মানুহৰ মানসিকতাক প্ৰতিফলন কৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ কি তিনিটা উপাদানে দূৰদৰ্শনক অন্য প্ৰচাৰ মাধ্যমতকৈ অধিক বিশ্বাসযোগ্যতা প্ৰদান কৰিছে?

.....

.....

প্ৰশ্ন নং ৪ ঃ ভাৰতত কিমান চনৰ পৰা কি নামেৰে টেলিভিছন সেৱাৰ নিয়মীয়া সম্প্ৰচাৰ সেৱা আৰম্ভ হয়?

.....

.....



চিন্তা-চৰ্চা কৰক— ৯.১

অসমীয়া টিভি চেনেলসমূহ কেইদিনমান দৰ্শন কৰি তাত অসমীয়া পৰম্পৰাগত সংস্কৃতিৰ কোনবোৰ দিশ ভুলকৈ উপস্থাপন কৰা হৈছে সেই বিষয়ে এটি আলচ যুগুত কৰাৰ লগতে কেনেদৰে তেওঁলোকে পৰম্পৰাগত সংস্কৃতিক এক নব্য ৰূপ প্ৰদান কৰিবলৈ যত্ন কৰিছে সেই বিষয়ে আলোচনা কৰিবলৈ যত্ন কৰক।

আহিছে। প্রথম অৱস্থাত ম'বাইল ফোনসমূহৰ জৰিয়তে কথা-বার্তাৰ লগতে দুই-এটা টেক্স মেচেজ দিয়া হৈছিল। কিন্তু ম'বাইল ফোনৰ বিকাশৰ লগে লগে তাত বিভিন্ন ধৰণৰ সেৱা সংযোজিত হ'বলৈ ধৰিলে। অসমীয়া ৰাইজে ম'বাইলত ইণ্টাৰনেট সেৱা ব্যৱহাৰ কৰিবলৈ শিকিলে আৰু যেতিয়াৰে পৰাই জীঅ' কোম্পানীৰ 4 জি সেৱা আৰম্ভ হ'ল তেতিয়াৰ পৰাই এক ধৰণৰ আমূল পৰিৱর্তন সাধন হ'ল।

আনহাতে ইণ্টাৰনেট হ'ল বিভিন্ন দেশত থকা কম্পিউটাৰৰ তথ্যৰ নেটৱর্কৰ মাধ্যমেৰে আন্তঃসংযোগ কৰা এটা ব্যৱস্থা, যাৰ সহায়ত পৃথিৱীৰ জ্ঞান-ভাণ্ডাৰ ঠাইতে পাব পাৰি। ভাৰতবর্ষত 1986 চনত প্রথম ইণ্টাৰনেট সেৱাৰ আৰম্ভ হয়। বর্তমান বিশ্বত 2.9 বিলিয়নতকৈও অধিক ইণ্টাৰনেট ব্যৱহাৰকাৰী আছে। ইণ্টাৰনেটৰ বিষয়ে আমি এইখন পাঠ্যবিষয়ৰে শেষৰটো অধ্যায়ত বহলাই আলোচনা কৰিম বাবে ইয়াত সেয়া আলোচনা কৰা নহ'ল। কেৱল ম'বাইলত ইণ্টাৰনেট সেৱা লাভ কৰাৰ ফলত অসমীয়া সংস্কৃতিলৈ কি ধৰণৰ পৰিৱর্তন সাধন হৈছে সেয়াহে এই অধ্যায়টোত চমুকৈ আলোচনা কৰা হ'ব।

বর্তমান ইণ্টাৰনেটৰ যোগেদি বিভিন্ন ধৰণৰ খেল উপভোগ কৰাৰ লগতে বিভিন্ন ধৰণৰ খেল খেলাৰো সুবিধা হৈছে। কিশোৰ আৰু যুৱচাম এই দিশটোৰ প্রতি অধিক আকর্ষিত হোৱা দেখা যায়। ম'বাইল অথবা ইণ্টাৰনেটৰ মাধ্যমত বিভিন্ন ধৰণৰ খেল উপভোগ কৰিব পাৰি। এই খেলবোৰৰ আত্মনিমগ্ন হৈ বহুতো সময় পাৰ কৰিব পাৰি। ইণ্টাৰনেট, ম'বাইলৰ যোগেদি নিজৰ ৰুচিৰ অনুকুলে খেল নির্বাচন কৰি উপভোগ কৰিব পাৰি। ফুটবল, ক্রিকেটৰ পৰা আৰম্ভ কৰি কাৰ ৰেচিঙলৈকে, পাহাৰ বগোৱাৰ পৰা চিকাৰ কাহিনীলৈকে, ফেণ্টমৰ পৰা ডিজনীলেণ্ডলৈকে বিবিধ কার্যসূচী ম'বাইল গেমৰ যোগেদি উপলব্ধ কৰিব পাৰি। বর্তমান ম'বাইল আৰু ইণ্টাৰনেটৰ যোগেদি উপলব্ধ গেমসমূহৰ প্রতি কিশোৰ আৰু যুৱক-যুৱতীসমূহ অধিক আকর্ষিত হোৱা দেখা গৈছে। তেনেদৰে উপলব্ধ হোৱা গেমসমূহৰ ভিতৰত তলত দিয়া গেমসমূহ বিশেষভাৱে উল্লেখযোগ্য— ৰাৰ গেম, একচন গেম, ৰেচিং গেম, নেটৰ যোগেদি উপলব্ধ হোৱা গেমসমূহ উল্লেখযোগ্য। need for speed, car racing, mission game, cold war, mili milisia, clam of cleans, class of cleans, Ead-evil war প্রভৃতি মিচন গেমৰ অন্তর্গত। ninza fighting warrior, sado fight, modern combat, civiour peogeon of escape, space recing, gunship strick আদি একচন গেম পোৱা যায়। ৰেচিং গেমৰ ভিতৰত City recing 3d, orheel by trecing, hik crime racing, s fault cabroon, bike racing, car racing, etc. উল্লেখযোগ্য। আজিকালি বহু সময়ত এচাম ল'ৰা-ছোৱালীয়ে ম'বাইলতে ইণ্টাৰনেটত বিভিন্ন গেম খেলি থাকে। বহু সময়ত ম'বাইলত সহজলভ্য ইণ্টাৰনেট সেৱাই বিপথে পৰিচালিত কৰাও দেখা যায়। অৱশ্যে নতুন প্রজন্মৰ যুৱক-যুৱতীসকলে এনেধৰণৰ গেমত মগ্ন হৈ

দুটা দৃষ্টিকোণৰ পৰা উপাদানসমূহ বিশ্লেষণ কৰা হয়। এটা হ'ল ঐতিহ্য বা পৰম্পৰা আৰু আনটো প্ৰয়োজনীয়তা বা ব্যৱহাৰিক দিশ। এই দুটাৰ যিকোনো এটাৰ অবিহনে কোনো উপাদান বেছি দিন স্থায়ী হ'ব নোৱাৰে। সেই হিচাপে পৰিৱৰ্তিত সময়ত মানুহৰ বিনোদনৰ বাবে সৃষ্টি হোৱা ৰেডিঅ', দূৰদৰ্শন তথা জ্ঞান-আহৰণ তথা যোগাযোগৰ বাবে আৰম্ভ হোৱা ম'বাইল, ইণ্টাৰনেট আদিও সংস্কৃতিৰ অংগীভূত আৰু এই উপাদান কেইটাই অসমীয়া সংস্কৃতিত গভীৰ প্ৰভাৱ বিস্তাৰ কৰিছে।

- অধ্যায়টোত ৰেডিঅ', দূৰদৰ্শন তথা যোগাযোগ আৰু জ্ঞান-আহৰণৰ বাবে আৰম্ভ হোৱা ম'বাইল, ইণ্টাৰনেট আদিৰ চমু ইতিহাসৰ লগতে এইবোৰে সাম্প্ৰতিক অসমীয়া সংস্কৃতিত কেনেধৰণে প্ৰভাৱ পেলাইছে সেই বিষয়ে থোৱতে আলোচনা কৰা হ'ল।



৯.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ

1) দত্ত, অংকুৰণ (2010);*গণমাধ্যম আৰু সম্প্ৰচাৰ সাংবাদিকতা;* গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

২) বৰুৱা শান্তনু কৌশিক (২০১৫); *অসম ইয়েৰ বুক ২০১৬ ;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

ইংৰাজী গ্ৰন্থ

3) Agarwala, V.B. & Gupta, V. S. (2001). *Handbook of Journalism and Mass Communication*. New Delhi: Concept Publishing Co.

4) Agarwal, V. B. (2006). *Essentials of Practical Journalism*. New Delhi: Concept Publishing Company.

5) Aspinall, R. (1973). *Radios Programme Production - a Manual for Training*. Paris: UNESCO.

6) Kamath, M. V (2009). *Journalists Handbook*. New Delhi: Vikas Publishing House Pvt Limited.

7) Kamath, M.V (2013).*Professional Journalism*. Noida: Vikas Publishing House Pvt. Ltd.

8) McLeish, R. (1994). *A Manual For Broadcasters.* USA: Focal Press.

9) Pavarala, V. M. & Kanchan K. (2007). *Other Voices, The Struggle for Community Radio in India*. New Delhi :Sage Publications India Pvt. Ltd.

প্রশ্ন ২ ঃ চমুটোকা লিখক —

(ক) অসমৰ ব্যক্তিগত টিভি চেনেল

(খ) অসমত ৰেডিঅ'

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ৰেডিঅ'ৰ ইতিহাস সম্পর্কে লিখি সাম্প্রতিক অসমীয়া সংস্কৃতিত ৰেডিঅ'ৰ প্রভাৱ সম্পর্কে বহলাই আলোচনা কৰক।

প্রশ্ন ২ ঃ টেলিভিছনৰ ইতিহাস সম্পর্কে লিখি সাম্প্রতিক অসমীয়া সংস্কৃতিত ইয়াৰ প্রভাৱ সম্পর্কে বহলাই আলোচনা কৰক।

প্রশ্ন ৩ ঃ ম'বাইল আৰু ইণ্টাৰনেটে সাম্প্রতিক সময়ৰ যুৱক-যুৱতীসকলৰ মনত কেনে প্রভাৱ পেলাইছে সেই বিষয়ে এটি আলচ প্রস্তুত কৰক।

প্রশ্ন ৪ ঃ "বিশ্বায়নৰ ফলস্বৰূপে থলুৱা-সংস্কৃতিলৈ অহা প্রত্যাহ্বান দূৰ কৰি তাক যুগোপযোগী ৰূপত সজাই তোলাৰ কাৰণে অনুপ্রেৰণা প্রদান কৰাত ৰেডিঅ' আৰু টেলিভিছনে গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিব পাৰে"— কথাষাৰৰ যুক্তিযুক্ততা প্রতিপন্ন কৰক।

*** ***** ***